স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে


# নিয়মীয়া বাৰ্তা

☐ সপ্তম বছৰ ☐ সংখ্যা ৩০ ☐ মঙলবাৰ ☐ ২১ চ'ত ১৯৩৮ শক ☐ ৪ এপ্ৰিল ২০১৭ চন ☐ TUESDAY ☐ 4 APRIL 2017

## সামাজিক অনুষ্ঠান ৰূপে মুক্ত বিশ্ববিদ্যালয় আৰু মোৰ সপোন

**ড° হিতেশ ডেকা**

উপাচাৰ্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়



উচ্চ শিক্ষাৰ বাটত ক'ৰবাত কিবা বাধা বা হেঙাৰে দেখা দিলে যি বিকল্প পথ আমাৰ আগত থাকে, সেয়াই মুক্ত আৰু দূৰৱৰ্তী শিক্ষা (open and distance education)। লিংগ বৈষম্য আমাৰ সমাজৰ এৰাব নোৱৰা অংগ। মুক্ত শিক্ষাই এইক্ষেত্ৰত বিৰাট পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে। আমি দেখিছোঁ যে মুক্ত শিক্ষা ব্যৱস্থাত মহিলা শিক্ষাৰ্থীয়ে এক বুজন অংশ অধিকাৰ কৰি আহিছে।

অসমত মুক্ত শিক্ষাৰ ক্ষেত্ৰত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০০৬ চনত মাত্ৰ ২৬৭৯ সংখ্যক শিক্ষাৰ্থীৰে ইয়াৰ যাত্ৰা আৰম্ভ কৰে। সম্প্ৰতি ইয়াৰ শিক্ষাৰ্থীৰ সংখ্যা ১ লাখ ৫০ হাজাৰৰো অধিক। তেনে ক্ষেত্ৰত বিশ্ববিদ্যালয় এখনৰ দায়িত্ব গভীৰ হৈ পৰে। ব্যক্তিগতভাৱে মই আঢ়ৈ দশকৰো অধিক কাল ৰাজ্যখনৰ উচ্চ শিক্ষাৰ সৈতে জড়িত হৈ আছোঁ। এয়া নিতান্তই কম সময় নহয়। স্বাভাৱিকতে এই সংযোগে বিশেষ উপলব্ধিৰ আৰু এক সুকীয়া চেতনাৰ জন্ম দিছে। তেনেদৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সৈতে জড়িত হোৱাও চাৰি বছৰ হৈ গৈছে। প্ৰথমে ডীন অধ্যয়ন কেন্দ্ৰ হিচাপে ২০১৩ চনৰ ৪ এপ্ৰিলত যোগদান কৰিছিলো। তাৰ পিছত ২০১৫ চনৰ ১১ মাৰ্চত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিলো। মই পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ মাজেৰে অহা লোক। দায়িত্ব লৈয়ে দেখিছিলো আমাৰ দৰে মুক্ত বিশ্ববিদ্যালয়সমূহক বুজনসংখ্যক লোকে দ্বিতীয় পৰ্যায়ৰ শিক্ষানুষ্ঠান বুলি ভাবে। বিশ্ববিদ্যালয় অনুদান আয়োগ, কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰ প্ৰত্যেকে যেন এনে শিক্ষানুষ্ঠানসমূহক যথোপযুক্ত মৰ্যাদা দিবলৈ দ্বিধা কৰে। তাৰ বাহিৰেও এনে বিশ্ববিদ্যালয়ৰ গুণগত মান ৰক্ষা কৰাটো দুৰূহ কাম। এইক্ষেত্ৰত বহুত বাধা আহি পৰে। এখন চালুকীয়া বিশ্ববিদ্যালয়ৰ নানানটা অসুবিধা, সমস্যা থাকে। আমাৰ বিশ্ববিদ্যালয়খনৰো আছিল। সমস্যা থাকিলে সমাধান থাকিবই; মই এই ধাৰণাত, দৰ্শনত বিশ্বাসী লোক। গতিকে বিশ্ববিদ্যালয়খনৰ বাবে এখন 'Vision Document : 2030' তৈয়াৰ কৰি উলিয়াবলৈ ঠিক কৰিলো। বিশ্ববিদ্যালয়খনে সৰ্বসন্মতভাৱে, পৰিচালনা সমিতিৰ অনুমোদনক্ৰমে এই ভিজন ডকুমেণ্ট গ্ৰহণ কৰিলে। অৰ্থাৎ আমি দাৰ্শনিক স্তৰত এক কাৰ্যক্ৰমণিকা যুগুতাই উলিয়াবলৈ সক্ষম হ'লোঁ।

মুক্ত বিশ্ববিদ্যালয়ৰ পৰীক্ষা সন্দৰ্ভত ৰাইজৰ ভালেমান প্ৰশ্ন, ওজৰ-আপত্তি থাকে। উপাচাৰ্য ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিয়ে দুটা স্তৰত কাম কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিলো। প্ৰথমটো আভ্যন্তৰীণ স্তৰ। মই অত্যন্ত সুখী যে যোৱা দুটা বছৰত বিশ্ববিদ্যালয়খনৰ আভ্যন্তৰীণ স্তৰটোক নিকপকপীয়া কৰা হৈছে। আনহাতে বাহ্যিক স্তৰটোত যথেষ্ট কৰিবলগীয়া আছে। আমাৰ যিহেতু নিজা আন্তঃগাঁথনি নাই, গতিকে আমি আনৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ বিভিন্ন পৰীক্ষাসমূহ চলাব লগাত পৰোঁ।

উল্লেখ্য যে উত্তৰ-পূব ভাৰতৰ একমাত্ৰ মুক্ত বিশ্ববিদ্যালয়খনে জীৱনত ক'ৰবাত কেতিয়াবা কৰা ভুলৰ বাবে যিসকলে কাৰাগাৰত দিন কটাবলগীয়া হৈছে, তেওঁলোকৰ বাবেও সম্পূৰ্ণ বিনামূলীয়া মুক্ত শিক্ষাৰ ব্যৱস্থা কৰিছে। ইয়াৰ জৰিয়তে বিশ্ববিদ্যালয়খনে ৰাজ্যখনৰ কাৰাবন্দীসকলক শিক্ষা প্ৰদানৰ যোগেদি শুধৰণিৰ এক সুযোগ দিব খুজিছে। ইতিমধ্যে বিশ্ববিদ্যালয়খনে অসমৰ ১৩টা কাৰাগাৰত অধ্যয়ন কেন্দ্ৰ মুকলি কৰিছে। পৰৱৰ্তী সময়ত অসমৰ সকলো কাৰাগাৰতে অধ্যয়ন কেন্দ্ৰ মুকলি কৰি কাৰাবন্দীসকলক বিনামূলীয়াকৈ শিক্ষা প্ৰদানৰ বাবে বিশ্ববিদ্যালয়ে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে।

**...উপাচাৰ্য ৰূপে, বিশ্ববিদ্যালয় পৰিয়ালৰ এজন সদস্য ৰূপে বিশ্ববিদ্যালয়খনক লৈ ময়ো এক সপোন দেখিছোঁ। এই সপোন সাৰ্থক হ'লে, বাস্তৱত পৰিণত হ'লে ময়ে নিশ্চয় আটাইতকৈ সুখী হ'ম...**

আনহাতে, আমাৰ উত্তৰ-পূৰ্বৰ দৰে অনগ্ৰসৰ অঞ্চল এটাৰ বাবে কেতবোৰ বিশেষ পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা আছে। সেইবোৰো পৰ্যায়ক্ৰমে প্ৰস্তুত কৰাৰ চেষ্টাও কৰা হৈছে।

সামাজিক প্ৰতিষ্ঠান ৰূপে বিশ্ববিদ্যালয়খনক গঢ়িবলৈ যাওঁতে ইয়াৰ এক ভাবমূৰ্তি নিৰ্মাণৰ প্ৰয়োজন আহি পৰে। উপাচাৰ্য হিচাপে দায়িত্ব লৈয়ে কিদৰে অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ কাষলৈ বিশ্ববিদ্যালয়খনক লৈ যাব পাৰি, এই বিষয়ে মনোনিৱেশ কৰিছিলো। মোৰ এইটো একান্ত বিশ্বাস যে ৰাইজে সহযোগ কৰিলেহে এখন শিক্ষানুষ্ঠানে ইয়াৰ যাৱতীয় কামখিনি নিয়াৰিকৈ কৰি যাব পাৰে। সেয়েহে দায়িত্ব লৈয়ে অসমৰ সকলো জনগোষ্ঠীয় সংগঠন, সাহিত্য সন্মিলন, সংস্থা আদিক আমন্ত্ৰণ কৰি জনগোষ্ঠীয় ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ আৰু সংৰক্ষণ সন্দৰ্ভত এক মুকলি মত বিনিময়ত মিলিত হৈছিলো। তাতেই কেতবোৰ পৰিকল্পনাৰ কথা ভবা হৈছিল। এনে চিন্তাৰ পৰিণতিতে সম্প্ৰতি বিশ্ববিদ্যালয়খনে বড়ো ভাষাত ডিপ্লমা পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ সক্ষম হৈছে। পৰ্যায়ক্ৰমে ৰাজ্যখনৰ অন্যান্য জনগোষ্ঠীয় ভাষাৰ পাঠ্যক্ৰম প্ৰচলনৰো সিদ্ধান্ত লোৱা হৈছে। উল্লেখ্য যে বিশ্ববিদ্যালয়খনক ৰাইজৰ মাজলৈ আৰু এখোজ আগুৱাই দিয়াৰ মানসিকতাৰে কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় ফেলশ্বিপ, কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। প্ৰথম ৰাষ্ট্ৰীয় ফেল'শ্বিপ লাভ কৰিছে প্ৰথিতযশা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাই। প্ৰথম ৰাষ্ট্ৰীয় বঁটা দিয়া হৈছে চন্দ্ৰায়নখ্যাত, মহাকাশ বিজ্ঞানী জিতেন্দ্ৰ নাথ গোস্বামী। দ্বিতীয় ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে বিশিষ্ট শিক্ষাবিদ, দাৰ্শনিক মৃণাল মিৰিলৈ। তেনেদৰে কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বক্তৃতাৰো আয়োজন কৰি অহা হৈছে। ২০১৫ চনত এই বক্তৃতা প্ৰদান কৰিছিল ন'বেল বঁটা বিজয়ী কৈলাশ সত্যাৰ্থীয়ে;

২০১৬ত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক বুদ্ধদেৱ দাশগুপ্তই। শেহতীয়াকৈ যোৱা দুই এপ্ৰিল তাৰিখে শান্তিৰ ন'বেল বঁটা বিজয়ী দালাই লামাই বিশ্ববিদ্যালয়ৰ উদ্যোগত এক ৰাজহুৱা বক্তৃতা প্ৰদান কৰি গ'ল। এই অনুষ্ঠানবোৰে বিশ্ববিদ্যালয়খনক ৰাইজৰ সৈতে সেতু বন্ধনৰ এক সুযোগ দিছে; আমাকো লগতে আগুৱাই যোৱাৰ প্ৰেৰণা দিছে। আনহাতে, বিশ্ববিদ্যালয়খনে গৱেষণা, প্ৰকাশন আদিতো বিশেষ গুৰুত্ব দিছে। বিশ্ববিদ্যালয়ৰ অন্তৰ্গত 'বাণীকান্ত কাকতি গৱেষণা প্ৰতিষ্ঠান'ৰ জৰিয়তে ইতিমধ্যে মাতৃভাষা মাধ্যমৰ শিক্ষানুষ্ঠানসমূহৰ দুৰৱস্থা কিদৰে উদ্ভৱ হ'ল আৰু ইয়াক কিদৰে আঁতৰ কৰিব পাৰি তাৰ বাবে এক গৱেষণা প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। লগতে মই উপাচাৰ্য ৰূপে দায়িত্ব লোৱাৰ পিছতে বিশ্ববিদ্যালয়খনৰ গৱেষণা পত্ৰিকা এখন নিয়মিত প্ৰকাশৰ ব্যৱস্থাও কৰা হ'ল। তাৰ বাহিৰেও কেইবাখনো ৱৰ্কিং পেপাৰ প্ৰকাশ কৰি বিশ্ববিদ্যালয়খনৰ বিদ্যায়তনিক পৰিৱেশ জনমানসত তুলি ধৰাৰ এক চেষ্টাও কৰিছোঁ। তাৰ বাহিৰেও যোৱা এশটা বছৰৰ সমগ্ৰ অসমীয়া শিশু সাহিত্যৰ এক সংকলন প্ৰস্তুত কৰি উলিওৱাৰ পদক্ষেপো আমি আৰম্ভকৰিছোঁ। তাৰ বাহিৰেও A P J Abdul Kalam Students' Welfare Mission আৰু Mother Teresa Social Welfare Mission— এই দুই মিছনৰ জৰিয়তে সমাজৰ বিভিন্ন ধৰণেৰে বঞ্চিত, শিক্ষাৰ পোহৰৰ পৰা নিজকে বিভিন্ন কাৰণত আঁতৰাই ৰখা লোকসকলক কিদৰে সুবিধা দিব পাৰি তাৰ কথাও ভবা হৈছে। ষ্টুডেণ্টছ মিছনৰ জৰিয়তে বিশ্ববিদ্যালয়খনে আৰ্থিকভাৱে দুৰ্বল, জনগোষ্ঠীয়, অনুসূচিত জনজাতিৰ বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা প্ৰদানৰ হকে পদক্ষেপ গ্ৰহণ কৰিছে। আনহাতে দুখনকৈ জনগোষ্ঠীয় গাঁৱৰ লালন-পালনৰ দায়িত্ব ল'বলৈও মাডাৰ টেৰেচা ছ'চিয়েল ৱেলফেয়াৰ মিছনৰ জৰিয়তে বিশ্ববিদ্যালয় পৰিয়াল আগবাঢ়িছে। ইয়াৰ বাবে বিশ্ববিদ্যালয়খনে দুয়োটা মিছনৰ হকে নিজৰ পুঁজিৰ পৰা এক কোটিকৈ টকাৰ যোগান ধৰিছে। মই অত্যন্ত গৰ্বিত যে বিশ্ববিদ্যালয়ৰ প্ৰতিজন লোকে প্ৰতিমাহে এই দুই মিছনৰ পুঁজিলৈ ইয়ালৈ নিয়মিত বৰঙণি আগবঢ়াই আহিছে। স্বাভাৱিকতে ৰাজ্যখনৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এয়া এক বিৰল ঘটনা।

মই আশা কৰিম যে বিশ্ববিদ্যালয়খনৰ বিভিন্ন দিশ সমৃদ্ধযাত্ৰাই ইয়াক এদিন অসমৰ পৰিসৰ অতিক্ৰমি উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যক চুব পৰা এক শিক্ষানুষ্ঠানলৈ উত্তীৰ্ণ কৰিব। সময়ত ই এক Transnational University হৈ উঠিব। বিশ্ববিদ্যালয়খন এক সমাজ পৰিৱৰ্তনৰ আহিলা হৈ পৰাটো আমি সকলোৱে বিচাৰোঁ; উপাচাৰ্য হিচাপে ময়ো বিচাৰোঁ। দেশৰ প্ৰয়াত ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামে কৈছিল— আমি সপোন দেখিব লাগে; ডাঙৰকৈয়ে দেখিব লাগে। উপাচাৰ্য ৰূপে, বিশ্ববিদ্যালয় পৰিয়ালৰ এজন সদস্য ৰূপে বিশ্ববিদ্যালয়খনক লৈ ময়ো এক সপোন দেখিছোঁ। এই সপোন সাৰ্থক হ'লে, বাস্তৱত পৰিণত হ'লে ময়ে নিশ্চয় আটাইতকৈ সুখী হ'ম। মই পূৰ্বতে কৈছোঁ যে বিশ্ববিদ্যালয় এক সামাজিক অনুষ্ঠান, ৰাইজৰ সহযোগ নহ'লে এনে অনুষ্ঠান বৰ্তি থাকিব নোৱাৰে। ৰাইজেই ইয়াৰ ভুল-ত্ৰুটি আঙুলিয়াই দিব লাগিব। ৰাইজৰ আদৰৰ হ'ব নোৱাৰিলে বিশ্ববিদ্যালয় এখনৰ মৰ্যাদা নিশ্চয় অক্ষুণ্ণ হৈ নৰ'ব।

ফোন ঃ ৯৯৫৪৩-০০০৩৩